**Regional News Unit**

All India Radio, Guwahati

0000000000

**Date :** 29-07-2024

**Time :** 0900 Hrs

***Assamese Morning Bulletin***

***:::::::::::::::::::::::::::::::::::::::***

## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ জনসাধাৰণৰ অধিক ওচৰ চপাৰ বাবে ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত আলোচনা।

২। ৰাজ্যত অহা ১ আগষ্টৰ পৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায় অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি ৰাজ্যৰ কেইবাখনো বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য নিযুক্তি।

৪। পেৰিছ অলিম্পিকৰ তৃতীয় দিনা আজি ভাৰতীয় শ্বুটাৰ ৰমিতা জিন্দাল আৰু অৰ্জুন বাবুটা ১০ মিটাৰ এয়াৰ ৰাইফল মহিলাৰ ফাইনেলত অৱতীৰ্ণ।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজত কালি অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতৰ শ্ৰীলংকাক ৭ উইকেটত পৰাস্ত।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীসকলৰ সৈতে হোৱা বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ জনসাধাৰণৰ অধিক ওচৰ চপাৰ বাবে ব্যৱস্থা গ্ৰহণৰ বিষয়ে আলোচনা কৰে। শ্ৰীমোদীয়ে কল্যাণকামী আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণত গুৰুত্ব আৰোপ কৰি প্ৰশাসন ব্যৱস্থাক আৰু অধিক উন্নত কৰাৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। শ্ৰীমোদীয়ে কালি নতুন দিল্লীত অনুষ্ঠিত বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলৰ দুদিনীয়া সন্মিলন-মুখ্যমন্ত্ৰী পৰিষদৰ সামৰণি অনুষ্ঠানত ভাষণ দিয়ে। এই বৈঠকত প্ৰশাসন ব্যৱস্থাৰ লগতে চৰকাৰৰ কল্যাণকামী পদক্ষেপসমূহ পৰ্যালোচনা কৰা হয়। এই বৈঠকত প্ৰধানমন্ত্ৰীৰ উপৰি বিজেপিৰ সভাপতি জে পি নাড্ডা, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপি অন্যান্য নেতাসকল উপস্থিত থাকে। বিজেপিৰ জ্যেষ্ঠ নেতা বিনয় শহস্ৰবুদ্ধেই এটা বিবৃতিযোগে বিজেপি শাসিত ৰাজ্যসমূহত কল্যাণকামী আঁচনিসমূহৰ সঠিক ৰূপায়ণ নিশ্চিতকৰাৰ প্ৰয়োজনত

শ্ৰীমোদীয়ে গুৰুত্ব আৰোপ কৰি  ৰাজ্যসমূহ সু-প্ৰশাসনৰ উদাহৰণ হোৱা উচিত বুলি উল্লেখ কৰাৰ বিষয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে দেশক ৫ লাখ কোটি ডলাৰৰ অৰ্থনীতিত পৰিণত কৰাৰ বাবে বিকাশৰ কাৰ্যসূচীসমূহত জনসাধাৰণৰ অংশগ্ৰহণৰ লগতে অন্যান্য পদক্ষেপসমূহৰ গুৰুত্বৰ বিষয়েও উল্লেখ কৰে।

০০০০০০০

ৰাজ্যত অহা ১ আগষ্টৰ পৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায় অনুষ্ঠিত কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গছ পুলি ৰোপণৰ এই বিশাল পদক্ষেপৰ বাবে সাজু হ'বলৈ ৰাজ্যবাসীক আহ্বান জনাইছে। অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ত ৩ কোটি গছ পুলি ৰোপন কৰা হ'ব। ১৫ দিন ধৰি এই আন্দোলন অব্যাহত থাকিব। ইতিমধ্যে ইয়াৰ বাবে প্ৰয়োজনীয় গছপুলিসমূহ সংৰক্ষণ কেন্দ্ৰত সাজু কৰি তোলা হৈছে। অমৃত বৃক্ষ আন্দোলনৰ জৰিয়তে সমাজৰ সকলো স্তৰৰ লোকে সেউজ অসম নিৰ্মাণৰ মহৎ লক্ষ্যৰে একত্ৰিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত কালি অসমৰ ঐতিহাসিক চৰাইদেউ মৈদাম ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত হোৱাত গৌৰৱ প্ৰকাশ কৰে। এই মৈদামসমূহৰ গুৰুত্ব সন্দৰ্ভত বাখ্যা কৰি শ্ৰীমোদীয়ে কয় যে, আহোম সাম্ৰাজ্যৰ প্ৰথম ৰাজধানী চৰাইদেউত আহোম ৰাজবংশৰ গণ্য মান্য ব্যক্তিসকলৰ মৃতদেহ আৰু মূল্যবান সা-সম্পত্তিসমূহৰ সমাধি তথা সংৰক্ষণ ক্ষেত্ৰ হিচাপে মৈদামসমূহ নিৰ্মাণ কৰা হৈছিল। প্ৰধানমন্ত্ৰীয়ে নিজৰ বক্তব্যত চৰাইদেউ মৈদামক অসম ভ্ৰমণৰ অন্যতম আকৰ্ষণ হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ পৰ্যটকসকলক আহ্বান জনায়।

শ্ৰীমোদীয়ে মেড ইন ইণ্ডিয়াৰ অধীনত গ্ৰহণ কৰা বিভিন্ন প্ৰকল্পৰ  বিষয়ত আলোকপাত কৰি ভাৰতৰ ৰাজহুৱা কলাসমূহক প্ৰতিফলিত কৰা **পাৰি** প্ৰকল্পৰ বিষয়েও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে পথৰ দাঁতি, দেৱাল আদিত চিত্ৰাংকন কৰা ৰাজহুৱা কলা শিল্পীসকলৰ ভূয়সী প্ৰশংসা কৰে।

আনহাতে, দেশৰ হস্ততাঁত বস্ত্ৰশিল্পৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ৭ আগষ্টত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদ্‌যাপন কৰা হ'ব বুলি মন্তব্য কৰে। তেওঁ দেশৰ জনসাধাৰণক খাদী আৰু থলুৱা হস্ততাঁত শিল্পক আঁকোৱালি লবলৈ আহ্বান জনায়।

ফ্ৰান্সৰ পেৰিছত অনুষ্ঠিত অলিম্পিক গেমছৰ প্ৰসংগ উত্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় খেলুৱৈসকলক উৎসাহিত কৰিবলৈ দেশবাসীক আহ্বান জনায়। তেওঁ লগতে অলপতে হৈ যোৱা আন্তৰ্জাতিক গণিত অলিম্পিয়াদত ভাৰতীয় শিক্ষাৰ্থীসকলৰ সুন্দৰ প্ৰদৰ্শনৰ বিষয়টোও মন কী বাতত উত্থাপন কৰে।

শ্ৰীমোদীয়ে সমাগত স্বাধীনতা দিৱসৰ পৰিপ্ৰেক্ষিতত শ্ৰোতাসকলক হৰ ঘৰ তিৰংগা অভিযানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। স্বাধীনতা দিৱসৰ ভাষণত বিভিন্ন বিষয় সামৰি ল'ব পৰাকৈ মাই গভ অথবা নমো এপৰ জৰিয়তে পৰামৰ্শ আগবঢ়াবলৈ প্ৰধানমন্ত্ৰীয়ে দেশবাসীক মন কী বাতৰ জৰিয়তে আহ্বান জনায়।

০০০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে ৰূপায়ণ কৰি থকা বিভিন্ন আঁচনি  আৰু পদক্ষেপসমূহৰ বিষয়ে বুজ লোৱাৰ উদ্দেশ্যে হিমাচল প্ৰদেশৰ শিক্ষামন্ত্ৰী ৰোহিত ঠাকুৰৰ নেতৃত্বত ১৩ জনীয়া এটা দল কালি অসমত উপস্থিত হৈছে। হিমাচল প্ৰদেশৰ শিক্ষামন্ত্ৰী ৰোহিত ঠাকুৰ আৰু মুখ্যসংসদীয় সচিব আশিস বুটাইলৰ নেতৃত্বত ভ্ৰমণলৈ অহা প্ৰতিনিধি দলটোক শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আদৰণি জনায়। শিক্ষামন্ত্ৰীগৰাকীৰ লগতে ১৩ জনীয়া দলটোৱে কালি ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু শিক্ষা বিভাগৰ বিষয়াসকলৰ সৈতে জনতাভৱনত এখন বৈঠকত মিলিত হয়। এই বৈঠকত দুয়োখন ৰাজ্যৰ শৈক্ষিক উন্নতিৰ দিশত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০

এ পি এছ্ চিৰ কৃষি উন্নয়ন বিষয়া বাচনি কেলেংকাৰীৰ গোচৰত দোষী সাব্যস্ত হোৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ পালকে ধৰি ৩২ জন অভিযুক্তৰ শাস্তিৰ ৰায় আজি ঘোষণা কৰা হ'ব। ৰাজ্যৰ বিশেষ ন্যায়াধীশৰ আদালতে যোৱা ২২ জুলাইত অভিযুক্ত বিষয়া কেইজনক দোষী সাব্যস্ত কৰিছিল। ২৩ জুলাইত অভিযুক্তৰ শাস্তিৰ পৰিমাণ সন্দৰ্ভত আদালতে ৰায় সংৰক্ষিত ৰাখিছিল। উল্লেখযোগ্য যে ২০১৪-১৫ চনৰ কৃষি উন্নয়ন বিষয়া বাচনিৰ নামত সংঘটিত কেলেংকাৰীৰ গোচৰত অন্যান্য বিষয়াৰ লগতে এ পি এছ্ চিৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ পাল, দুই প্ৰাক্তন সদস্য বসন্ত কুমাৰ দলে আৰু চামেদুৰ ৰহমানক দোষী সাব্যস্ত কৰিছিল।

০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি ৰাজ্যৰ কেইবাখনো বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য নিযুক্তি দিয়া হৈছে। ড০ ননীগোপাল মহন্তক গুৱাহাটী বিশ্ববিদ্যালয়ৰ, ধনপতি ডেকাক ভট্টদেৱ বিশ্ববিদ্যালয়ৰ আৰু মানবেন্দ্ৰ দত্ত চৌধুৰীক ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য হিচাপে নিযুক্তি দিয়া হৈছে। ২০ আগষ্টত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ উপাচাৰ্যজনৰ কাৰ্যকাল অন্ত পৰাৰ পাছতে ড০ ননীগোপাল মহন্তই কাৰ্যভাৰ গ্ৰহণ কৰিব। ড০ মহন্তই ২০২১ চনৰ পৰা চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈ ৰাজ্য চৰকাৰৰ শিক্ষা উপদেষ্ট হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইপিনে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে নিযুক্তি পোৱা ধনপতি ডেকা তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰধান অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্বদ্যালয়ৰ উপাচাৰ্য নিযুক্তি হোৱা মানবেন্দ্ৰ দত্ত চৌধুৰী অসম বিশ্ববিদ্যালয় গুৰু অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস। বাঘৰ প্ৰাকৃতিক বাসস্থান সুৰক্ষিত কৰাৰ বাবে এটা গোলকীয় প্ৰণালী গঢ়ি তোলা তথা বাঘ সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি আৰু সমৰ্থন আগবঢ়োৱাৰ বিষয়টোৰ প্ৰচাৰৰ লক্ষ্যৰে প্ৰতি বছৰে আজিৰ দিনটো আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস হিচাপে পালন কৰা হয়। বিশ্ব বন্যপ্ৰাণী নিধিৰ তথ্য অনুসৰি ভাৰতত বৰ্তমান বাঘৰ জনসংখ্যা স্থিৰ হৈ আছে অথবা বৃদ্ধি পাইছে। ভাৰতত বিশ্বৰ মুঠ বাঘৰ ৮০ শতাংশই পোৱা যায়। উল্লেখযোগ্য যে, **প্ৰজেক্ট টাইগাৰৰ** অংশহিচাপে ১৯৭৩ চনত ভাৰতৰ ব্যাঘ্ৰ অভয়াৰণ্য স্থাপন কৰা হৈছিল।

০০০০০০০

অসম আৰক্ষীয়ে শনিবাৰৰ নিশা কাচাৰ জিলাৰ পৰা এটা ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে প্ৰায় ৯ কোটি টকাৰ মেথামফেটামাইন টেবলেট জব্দ কৰে। আৰক্ষীয়ে এটা গোপন সূত্ৰৰ ভিত্তিত জিলাখনৰ কটাখাল এলেকাত শনিবাৰৰ নিশা অভিযান চলাই আব্দুল আলিম নামৰ ড্ৰাগছ সৰবৰাহকাৰীটোক আটক কৰাৰ লগতে য়াবা টেবলেট হিচাপে পৰিচিত মাদক দ্ৰব্যখিনি জব্দ কৰে।  অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে ড্ৰাগছ মুক্ত অসম নিৰ্মাণৰ ক্ষেত্ৰত নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ বাবে আৰক্ষীৰ শলাগ লয়। আৰক্ষীয়ে এই ড্ৰাগছখিনি ম্যানমাৰৰ পৰা সৰবৰাহ কৰা হৈছিল আৰু অসমৰ মাজেদি দেশৰ অন্যান্য প্ৰান্তলৈ প্ৰেৰণ কৰা হৈছিল বুলি সন্দেহ প্ৰকাশ কৰিছে।

০০০০০০০

পেৰিছ অলিম্পিকৰ তৃতীয় দিনা আজি দিনৰ ১ বজাত ভাৰতীয় শ্বুটাৰ ৰমিতা জিন্দাল ১০ মিটাৰ এয়াৰ ৰাইফল মহিলাৰ ফাইনেলৰ মেডেল ৰাউণ্ডত অৱতীৰ্ণ হ'ব। একেবিধ খেলৰে পুৰুষ শাখাৰ ফাইনেলত বিয়লি চাৰে ৩ বজাত অৰ্জুন বাবুটা অৱতীৰ্ণ হ'ব। আনহাতে, সৰবজোৎ সিঙৰ সৈতে মানু ভাকৰৰ যুটী আৰু অৰ্জুন সিং ছেমাৰ সৈতে ৰিডম চংৱানৰ যুটীয়ে ১০ মিটাৰ এয়াৰ পিষ্টল মিক্সড দলৰ কোৱালিফিকেচন ৰাউণ্ডত অৱতীৰ্ণ

হ'ব। ইফালে পুৰুষ হকীত ভাৰতে আজি পুল বিৰ এখন খেলত আৰ্জেণ্টিনাৰ বিৰুদ্ধে খেলিব। ভাৰতীয় হকী দলটোৱে অলিম্পিকৰ প্ৰথম দিনা নিউজিলেণ্ডৰ বিৰুদ্ধে জয়লাভ কৰিছিল।

ইপিনে, পেৰিছ অলিম্পিকত মানু ভাকৰে কালি ব্ৰঞ্জৰ পদক লাভ কৰি ভাৰতৰ পদক তালিকা মুকলি কৰে। ভাৰতে এইবাৰ ২০২০ৰ টকিঅ' অলিম্পিকত লাভ কৰা ৭টা পদকৰ পূৰ্বৰ অভিলেখ অতিক্ৰম কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ভাৰত বৰ্তমান তালিকাৰ ২২ সংখ্যক স্থানত আছে। ইপিনে, অষ্ট্ৰেলিয়া চাৰিটা সোণৰ পদকেৰে প্ৰথম স্থানত আছে। শেহতীয়া তথ্য অনুসৰি আয়োজক ফ্ৰান্সকে ধৰি দক্ষিণ কোৰিয়া, চীন আৰু জাপানে তিনিটাকৈ সোণৰ পদক লাভ কৰাৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্ৰ দুটা পদকেৰে ষষ্ঠ স্থানত আছে।

০০০০০০০

শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰত আৰু শ্ৰীলংকাৰ মাজত কালি অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতে শ্ৰীলংকাক ৭ উইকেটত পৰাস্ত কৰি শৃংখলাটোত ২-০ৰ অপ্ৰতিৰুদ্ধ অগ্ৰগতি লাভ কৰিছে। ভাৰতে টছত জিকি শ্ৰীলংকাক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৬১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰবি বিষ্ণুই ২৬ ৰানৰ বিনিময়ত ৩টা উইকেট দখল কৰাৰ বিপৰীতে অৰ্শদীপ সিং, অক্ষৰ পেটেল আৰু হাৰ্দিক পাণ্ডিয়াই দুটাকৈ উইকেট দখল কৰে। আনহাতে বৰষুণৰ বাবে ভাৰতৰ লক্ষ্য ৮ অভাৰত ৭৮ ৰানলৈ হ্ৰাস কৰা হয়। ভাৰতে যশস্বী জয়ছোৱাল, সূৰ্য কুমাৰ যাদৱ আৰু হাৰ্দিক পাণ্ডিয়াৰ সুন্দৰ বেটিঙেৰে ৯টা বল বাকী থকা অৱস্থাতে ৮১ ৰান কৰিবলৈ সমৰ্থ হয়। ৰবি বিষ্ণুইক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। দুয়োটা দলে কাইলৈ একেটা স্থানতে শৃংখলাটোৰ তৃতীয় তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব। ইয়াৰ পাছতেই দুয়োটা দলেই কলম্বোত তিনিখন এদিনীয়া ক্ৰিকেটটো মুখামুখি হ'ব।

ইপিনে, ডাম্বুলাত অনুষ্ঠিত মহিলা এছিয়া কাপ ট্ৰফী ক্ৰিকেটত ছামাৰী আটাপট্টুৰ নেতৃত্বাধীন শ্ৰীলংকাৰ দলটো সাতবাৰৰ বিজয়ী ভাৰতক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে এছিয়া কাপ জয়ী কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

## Newspaper Review (29-07-2024 Morn.)

অসমকে ধৰি দেশৰ ৯ খন ৰাজ্যত নতুন ৰাজ্যপাল নিয়ুক্তি দিয়াৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে। লক্ষ্মণ প্ৰসাদ আচাৰ্যক অসমৰ নতুন ৰাজ্যপাল হিচাপে নিয়ুক্তি দিয়া হৈছে। আনহাতে অসমৰ প্ৰাক্তন সাংসদ ৰমেন ডেকাক ছত্তিশগড়ৰ নতুন ৰাজ্যপাল হিচাপে নিয়ুক্তি দিয়া হৈছে।

**অসমীয়া প্ৰতিদিন** কাকতে ১৫ আগষ্টৰ সময়ত অসম চৰকাৰৰ মন্ত্ৰীসভাত সাল-সলনি হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰা এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। ২০২৬ৰ নিৰ্বাচনক মূল লক্ষ্য হিচাপে লৈ নতুন সমীকৰণেৰে এই সম্প্ৰসাৰণ হ'ব বুলিও বাতৰিটোত উল্লেখ কৰা হৈছে।

ৰাজ্যৰ ৩ খন বিশ্ববিদ্যালয়ত নতুন উপচাৰ্য নিযুক্তি দিয়াৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ননী গোপাল মহন্তত নতুন উপাচাৰ্য হিচাপে নিযুক্তি দিয়াৰ লগতে ধনপতি ডেকাক ভট্টদেৱ বিশ্ববিদ্যালয়ৰ আৰু মানৱেন্দ্ৰ দত্ত চৌধুৰীক ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নতুন উপচাৰ্য হিচাপে নিযুক্তি প্ৰদান কৰা হৈছে। **আমাৰ অসম** কাকতে ৰাজ্যত প্ৰবল গ্ৰীষ্ম প্ৰবাহে দহাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ কৰা মতে, গ্ৰীষ্ম প্ৰবাহৰ ফলত ৰাজ্যত দেওবাৰ পৰ্যন্ত ৬ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু পৰৱৰ্তী ৪৮ ঘণ্টালৈ ৰাজ্যখনত বৰষুণৰ কোনো সম্ভাৱনা নাই। গ্ৰীষ্মপ্ৰবাহৰ একেটি বাতৰিকে **অসমীয়া খবৰ** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। বাক্সা, মৰিগাঁও, তেজপুৰ, লখিমপুৰত গৰমৰ ফলত ৪ জন লোকে প্ৰাণ হেৰুওৱাৰ কথা কাকতখনে উল্লেখ কৰিছে।

অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ অসুস্থ হৈ পৰাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসুস্থতাৰ বাবে শিল্পীজনক কালি গুৱাহাটীৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। **নিয়মীয়া বাৰ্তা** কাকতখনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাত অনুষ্ঠানত চৰাইদেউ মৈদামক লৈ কৰা মন্তব্যৰ বাতৰিটো বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

পেৰিছ অলিম্পিকত ভাৰতৰ মানু ভাকৰে ব্ৰঞ্জৰ পদক লাভ কৰাৰ বাতৰিটো **দ্যা চেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটি বাতৰিকে ণসপস গণসদঞ্জ থমঙপশ টৃপগতস’শ ণঞ্জগঞ্জ ষসননস তপ মসশতশ কাসন্মতক্ষ শিৰোনামেৰে **দি আছাম ট্ৰিবিউন** কাকতখনে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – দিল্লীত শিলচৰৰ যুৱতীক হত্যা, বিজেপি শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰীৰে বৈঠক প্ৰধানমন্ত্ৰীৰ, দিল্লী কোচিং চেণ্টাৰত পানীত বুৰ গৈ ৩ শিক্ষাৰ্থীৰ মৃত্যু, যোৱা ২৮ দিনত অসমত পানীত পৰি ২৮ গৰাকী লোকৰ প্ৰাণহানি ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

সমাপ্ত